**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সপ্তদশ ব্ৰিকছ্ শীৰ্ষ সন্মিলনত ভাগ ভাগ লোৱাৰ উদ্দেশ্যে ব্ৰাজিলৰ ৰিঅ'ডি জেনেৰিঅ'ত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰীয়ে কালি আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

৩। আমেৰিকাৰ টেক্সাছ প্ৰদেশত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা বানত কমেও ৩২ গৰাকী লোকৰ মৃত্যু ঘটিছে।

৫। এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে।

*আৰু*

৫। ভাৰতীয় মহিলা ফুটবল দলে অহা বছৰ অষ্ট্ৰেলিয়াত হ'বলগীয়া এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আৰ্জেণ্টিনা ভ্ৰমণ ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰীয়ে কালি দেশখনৰ প্ৰসিদ্ধ স্বতন্ত্ৰতা সেনানী জ'জ ডি ছেনৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ নিবেদনেৰে এই ভ্ৰমণৰ পাতনি মেলে। পাছত দেশখনৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেইয়ে কাছা ৰ'ছ'দাত প্ৰধানমন্ত্ৰীক আনুষ্ঠানিকভাৱে আদৰণি জনায়। দুয়োগৰাকী নেতাই সংক্ষিপ্ত আলোচনাত মিলিত হয়। ইয়াৰ পাছত দুয়োগৰাকী নেতাৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ সামৰি লোৱা হয়। বিদেশ মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিব পি কুমাৰণে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে দুয়োগৰাকী নেতাই ব্যৱসায় আৰু বাণিজ্য, প্ৰযুক্তি, প্ৰতিৰক্ষা, মহাকাশ, স্বাস্থ্য আৰু ভেষজকে ধৰি গুৰুত্বপূৰ্ণ খণ্ডসমূহত সহযোগিতা বৃদ্ধি কৰিবলৈ আৰু উভয় দেশৰ মাজৰ কৌশলগত অংশিদাৰিত্ব গভীৰ কৰি তুলিবলৈ সন্মতি প্ৰকাশ কৰিছে। কৃষি সন্দৰ্ভত দুয়ো পক্ষই দুগ্ধজাত আৰু কৃষিজাত সামগ্ৰীসমূহৰ বাবে বজাৰৰ সম্প্ৰসাৰণ আৰু প্ৰযুক্তিৰ ভাগ বাটোৱাৰা তথা বহনক্ষমতাৰ ক্ষেত্ৰত যুটীয়া প্ৰচেষ্টাৰ অন্বেষণ কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

স্বাস্থ্য সেৱা সম্পৰ্কে মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে বহনক্ষম উচ্চমানৰ ঔষধৰ উৎপাদনৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থৰ বিষয়ে আলোকপাত কৰে। তেওঁ ভাৰতৰ আৰ্জেণ্টিনাৰ ভেষজ নিয়ন্ত্ৰণ পৰিকাথামৰ অনুবন্ধ দুইৰ পৰা অনুবন্ধ এক শাখালৈ উন্নীত কৰাৰ সম্ভাৱনাৰ বিষয়েও আলোচনা কৰে। এনে কৰিলে আৰ্জেণ্টিনাৰ জনসাধাৰণৰ বাবে বহনসাধ্য আৰু প্ৰাণৰক্ষী ঔষধৰ উপলভ্যতা সুগম হৈ পৰিব।

দুয়োগৰাকী নেতাই শক্তি আৰু দুৰ্লভ খনি খণ্ডৰ সহযোগিতাকলৈও আলোচনা কৰে। ভাৰতৰ বৰ্ধিত শক্তি আৰু ঔদ্যোগীক আৱশ্যকতাৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কায়, যে আৰ্জেণ্টিনা ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ শক্তি সহযোগী ৰূপে পৰিগণিত হোৱাৰ থল আছে। নেতা দুগৰাকীৰ মাজৰ আলোচনাত মহাকাশ ক্ষেত্ৰৰ সহযোগিতাৰ বিষয়টোও স্থান লাভ কৰে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোই ২০০৭ চনত উৎক্ষেপন কৰা আৰ্জেণ্টিনাৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনৰ পাছত দুয়ো দেশৰ মাজত গঢ়ি উঠা সহযোগিতাৰ এনাজৰীডাল আগবঢ়াই নিবলৈ দুয়ো পক্ষই সন্মতি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত আগবঢ়োৱা সমৰ্থনৰ বাবে আৰ্জেণ্টিনাক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত ৰাষ্ট্ৰপতি মিলেয়ে প্ৰধানমন্ত্ৰীৰ বাবে মধ্যাহ্ন ভোজমেলৰ আয়োজন কৰে। ভোজমেলত দুয়োগৰাকী নেতাই আন্তঃৰাষ্ট্ৰীয় বিগকেট জোঁট আৰু কৃষি, স্বাস্থ্য সেৱা তথা প্ৰকল্প নিৰীক্ষণকে ধৰি বিভিন্ন ক্ষেত্ৰত ড্ৰোণৰ ব্যৱহাৰ সম্পৰ্কে মুক্তভাৱে আলোচনা কৰে। তেওঁলোকৰ খেল ব্যৱস্থাপনাৰ সহযোগিতাকলৈয়ো মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেইক শীঘ্ৰে ভাৰত ভ্ৰমণলৈ আমন্ত্ৰণ জনায়।

আৰ্জেণ্টিনাৰ সফল ভ্ৰমণ সামৰি পাঁচ দেশীয় ভ্ৰমণসূচীৰ চতুৰ্থ পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী ইতিমধ্যে ব্ৰাজিলৰ ৰিঅ'ডি জেনেৰিঅ'ত উপস্থিত হৈছে। এই ভ্ৰমণকালত শ্ৰী মোদীয়ে সপ্তদশ ব্ৰিকছ শীৰ্ষ সন্মিলনত ভাগ ল'ব। সন্মিলনত প্ৰধানমন্ত্ৰীয়ে বিশ্বজনীন শাসন ব্যৱস্থা, শান্তি আৰু সুৰক্ষা, বহুপাক্ষিকবাদৰ সম্প্ৰসাৰণ, কৃত্ৰিম বুদ্ধিমত্তাৰ দায়িত্বশীল ব্যৱহাৰ, জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাব ৰোধ কৰাৰ বাবে লোৱা ব্যৱস্থা, বিশ্বজনীন স্বাস্থ্য, অৰ্থনৈতিক আৰু বিত্তীয় বিষয় লৈ মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে সন্মিলনত ভাগ লোৱাৰ আপাহতে কেইবাখনো দ্বিপাক্ষিক বৈঠকতো মিলিত হ'ব। শ্ৰী মোদী ব্ৰাজিলৰ ৰাজধানী ব্ৰাজিলিয়ালৈও যাব। তাত তেওঁ ৰাষ্ট্ৰপতি লুইজ ছিলভাৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন ক্ষেত্ৰত দুয়ো দেশৰ মাজৰ কৌশলগত সহযোগিতা সম্প্ৰসাৰণৰ বিষয় লৈ দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

ooooo

আৰ্জেণ্টিনাৰ বুয়েন'ছ আইৰেছত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰী মোদীয়ে কয়, যে মহাত্মা গান্ধীৰ দৰ্শন আৰু আদৰ্শই সদায় মানৱতাক দিশ নিৰ্দেশনা দি আহিছে। তেওঁ কয়, যে সমগ্ৰ বিশ্বতে মহাত্মা গান্ধীৰ বাণীসমূহ প্ৰাসংগিক হৈ আছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে গান্ধীজীৰ বাণীসমূহে লক্ষ লক্ষ মানুহক শক্তি আৰু আশাৰ পোহৰ দেখুৱাই আহিছে। তেওঁ কয়, যে মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁৰ চৰকাৰে এখন সুন্দৰ আৰু শান্তিপূৰ্ণ পৃথিৱী গঢ়াৰ লক্ষ্যৰে চৰকাৰৰ প্ৰতিশ্ৰুতিসমূহ পূৰণৰ সংকল্প লৈছে।

কবিগুৰু ৰবান্দ্ৰ নাথ ঠাকুৰে ১৯২৪ চনত আৰ্জেণ্টিণা ভ্ৰমণ কৰিছিল আৰু দেশখনৰ জনসাধাৰণ বিশেষকৈ পণ্ডিত আৰু শিক্ষাৰ্থীসকলৰ মনত তেওঁ এটা সুন্দৰ ভাবমূৰ্তি গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল। সামাজিক মাধ্যৰ এটা বাৰ্তাৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰি কয়, যে ভাৰতীয় সকলেও কবিগুৰুক লৈ বহু গৌৰৱ অনুভৱ

কৰে। কিয়নো ভাৰতীয় ইতিহাস আৰু সংস্কৃতিলৈ কবিগুৰুৰ অসীম অৱদান আছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ৰবীন্দ্ৰ নাথ ঠাকুৰে শিক্ষা আৰু শিকনত বিশেষ গুৰুত্ব দিছিল।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীক কালি ছিটি অব বুৱেন’ছ আয়াৰেছ ছাবিকাঠি দিয়া হয়। বুৱেন’ছ আয়াৰেছ ছিটী চৰকাৰৰ মুৰববী জৰ্জ মেক্ৰিয়ে তেওঁক এই ছাবিকাঠি প্ৰদান কৰে। ভাৰত আৰু আৰ্জেণ্টিনাৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাত প্ৰধান ভূমিকা গ্ৰহণ কৰা বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনে এইদৰে সন্মান জনাইছে।

ooooo

আমেৰিকাৰ টেক্সাছ প্ৰদেশত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা বানত কমেও ৩২ গৰাকী লোকৰ মৃত্যু ঘটিছে। লগতে শিবিৰত থকা  ২৫ গৰাকী লোক এই বানৰ পাছত নিৰুদ্দিষ্ট হৈছে। কেৰ কাউণ্টিৰ ছেৰিফ লেৰি লেইথাই কয়, যে নিহতসকলৰ ভিতৰত ১৪ গৰাকী শিশুকে ধৰি আন ১৮ জন লোক আছে। তেওঁ লগতে কয়, যে এই বানৰ ফলত কমেও ২৭ গৰাকী লোক নিৰুদ্দেশ হৈছে। যোৱা শুকুৰবাৰে হোৱা এই বানে ৪৫ মিনিটৰ ভিতৰতে কালৰূপ ধাৰণ কৰে আৰু ৮ মিটাৰ উচ্চতালৈ বৃদ্ধি পোৱা পানীয়ে ঘৰ-দুৱাৰ আৰু যান-বাহন উটুৱাই লৈ যায়। ছান এণ্টনিঅ’ৰ বাহিৰত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত বহু অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। বানৰ সৈতে মোকাবিলা কৰিবলৈ কৰ্তৃপক্ষই শিবিৰ আৰু বাসগৃহসমূহ নিৰীক্ষণত ৰাখিছে। টেক্সাছৰ পাহাৰ অঞ্চলৰ সমীপৰ গুৱাডালুপে নদীৰ কাষত থকা শতিকা পুৰণি যুৱ শিবিৰসমূহত যোৱা শুকুৰবাৰে বহু পৰিয়াল প্ৰাকৃতিক পৰিৱেশ উপভোগৰ বাবে উপস্থিত হৈছিল। বিশেষকৈ এই ঠাইখিনি জুলাই মাহৰ চতুৰ্থ বন্ধৰ বাবে অতি জনপ্ৰিয় আছিল আৰু ইয়াত বহু লোক বন্ধ উপভোগ কৰিবলৈ সমবেত হৈছিল। সেয়েহে এই বানত প্ৰকৃততে কিমান লোক নিৰুদ্দেশ হৈ আছে সেই তথ্য লাভ কৰাৰ ক্ষেত্ৰত জটিলতাই দেখা দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টেক্সাছৰ বানত নিহত লোকসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আমেৰিকাৰ চৰকাৰৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে।

ooooo

এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ কালি চতুৰ্থ দিনা আলহী দল ভাৰতে ৬টা উইকেটৰ বিনিময়ত ৪২৭ ৰানৰ দ্বিতীয় ইনিংছ ঘোষণা কৰাৰ পাছত ইংলেণ্ডে ৭২ ৰানত তিনিটা উইকেট হেৰুৱাই শলঠেকত পৰে। ইংলেণ্ডে ৬০৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১১ ৰানতে মহম্মদ ছিৰাজৰ বলত জ’ক ক্ৰাউলিৰ উইকেট হেৰুৱায়। ইয়াৰ পাছত আকাশ দীপে বেন ডাকেট আৰু জ’ ৰুটৰ উইকেট দখল কৰি ঘৰুৱা দলটোক শলঠেকত পেলায়। ইংলেণ্ডে দিনান্তত তিনিটা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ৭২ ৰান সংগ্ৰহ কৰে। খেল সামৰাৰ পৰত অলি প’পে ২৪ আৰু হেৰি ব্ৰুকে ১৫ ৰান কৰি খেলি আছিল। ইংলেণ্ডক সাতটা উইকেট বাকী থকা অৱস্থাত জয়ৰ বাবে আৰু ৫৩৬ ৰানৰ প্ৰয়োজন।

ইয়াৰ পূৰ্বে ভাৰতে সুভমন গীলৰ আকৰ্ষণীয় ১৬১ আৰু কে এল ৰাহুল, ঋষভ পণ্ট আৰু ৰবীন্দ্ৰ জাদেজাৰ অৰ্ধ শতকৰ সহায়ত ৬ টা উইকেট হেৰুৱাই ৪২৭ ৰান কৰা অৱস্থাত দ্বিতীয় ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। উল্লেখযোগ্য যে ইংলেণ্ডে ভাৰতৰ ৫৮৭ ৰানৰ প্ৰত্যুত্তৰত প্ৰথম ইনিংছত ৪০৭ ৰান সংগ্ৰহ কৰিছিল।

ooooo

ভাৰতীয় মহিলা ফুটবল দলে অহা বছৰ অষ্ট্ৰেলিয়াত হ'বলগীয়া এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। এই খেলৰ যোগ্যতা নিৰূপনকাৰী প্ৰতিযোগিতাৰ গ্ৰুপ-বিৰ চতুৰ্থ তথা অন্তিমখন খেলত ভাৰতে কালি আয়োজক দেশ থাইলেণ্ডক ২-১ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ সংগীতা বাছফৰে দুটা গ'ল দিয়ে। ইয়াৰ আগেয়ে ভাৰতীয় দলে ২২ বছৰ পূৰ্বে মহিলাৰ এ এফ চি এছিয়ান ফুটবল প্ৰতিযোগিতাৰ বাবে যোগ্যতা অৰ্জন কৰিছিল।

০০০০০

ভাৰতৰ য়ুকি ভাম্ব্ৰি আৰু আমেৰিকাৰ ৰ'বাৰ্ট গেল'ৰেই উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। য়ুকি আৰু ৰ'বাৰ্টৰ যুটীটোৱে কালি লণ্ডনত অনুষ্ঠিত দ্বিতীয় ৰাউণ্ডৰ এখন খেলত পৰ্টুগালৰ নুন' বৰ্গেছ আৰু আমেৰিকাৰ মাৰ্কোছ গিৰোনৰ যুটীটোক পৰাস্ত কৰে।

মিক্স ডাবলছতো য়ুকি ভাম্ব্ৰি চীনৰ জিয়াং ঝিন্যুৰ সৈতে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০

সমাপ্ত